Website : www.niyomiyabarta.com

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

১৭৬ ☐ দেওবাৰ ☐ ১৪ ভাদ ১৯৪৭ শক ☐ ৩১ আগষ্ট ২০২৫ চন ☐ VOL-15 ☐ NO-176 ☐ SUNDAY 31 AUGUST 2025

(ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE

D.H.S.K. College, A...
Estd.-194...
Date..........
Dibrugarh, Assam

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- মালয়েছিয়াৰ স্বাধীনতা দিৱস।
- কাজাখস্তানৰ স্বাধীনতা দিৱস।
- ১৮৭০ত ইটালীৰ শিক্ষাবিদ মাৰিয়া : টছৰীৰ জন্ম।
- ১৯৬৯ত প্ৰাক্তন ক্ৰিকেট খেলুৱৈ জভাগল শ্ৰীনাথৰ জন্ম।
- ১৯৯৮ত উত্তৰ কোৰিয়াই প্ৰথম উপগ্ৰহ উৎক্ষেপণৰ ঘোষণা কৰে।
- ১৯৭৮ত গায়িকা বৰ্ণালী কলিতাৰ জন্ম।

### ঠগ-প্ৰৱঞ্চনাৰ বিষয়েও কৰ্মশালাখনত বিশদ আলোচনা

# কানৈ কলেজত 'চাইবাৰ নিৰাপত্তাৰ দক্ষতা বৃদ্ধি' শীৰ্ষক কৰ্মশালা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৩০ আগষ্ট ঃ** ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত দ্য এছিয়া ফাউণ্ডেচনৰ উদ্যোগত আৰু অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগ, কানৈ মহাবিদ্যালয়ৰ আই চি জি পি চি, কম্পিউটাৰ ছায়েঞ্চ বিভাগৰ সহযোগত 'চাইবাৰ নিৰাপত্তাৰ দক্ষতা বৃদ্ধি' শীৰ্ষক এক মননশীল কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত কৰ্মশালাখনত জনসাধাৰণক কেনেকৈ চাইবাৰ অপৰাধৰপৰা সুৰক্ষিত আৰু সাৱধান কৰিব পাৰি, তাৰ ওপৰত বিশেষভাৱে আলোচনা কৰা হয়। অনাগত দুবছৰৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত এই সংস্থাসমূহে চাইবাৰ নিৰাপত্তাৰ ওপৰত বিভিন্ন ধৰণৰ সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰাৰ কাম হাতত লৈছে, তাৰে ভিতৰত বহুকেইখন ৰাজ্যত এই কাৰ্যসূচীৰ ইতিমধ্যে সফল সমাপ্তিও হৈছে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি চাইবাৰ ক্ৰাইম আউটপোষ্টৰ পৰিদৰ্শক ৰাজশ্ৰী বৰগোহাঁয়ে কয়— চাইবাৰ ক্ৰাইমত বাণিজ্যকেন্দ্ৰিক অপৰাধ বহুতো হোৱা পৰিলক্ষিত হয়। বিভিন্ন ধৰণৰ ক্ষুদ্ৰৰপৰা মজলীয়া উদ্যোগলৈকে এই চাইবাৰ ক্ৰাইম সংঘটিত হ'ব পাৰে। এইসমূহ প্ৰতিৰোধ কৰিবৰ বাবেই চাইবাৰ নিৰাপত্তাই বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, ডিব্ৰুগড়ৰ পল্লৱী বৰুৱাই আঁত ধৰা কৰ্মশালাখনত তেওঁ কয়— প্ৰায় নবৈ শতাংশ ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ চাইবাৰ নিৰাপত্তাৰ বিষয়ে সম্যক জ্ঞান নথকাৰ বাবে বহু সময়ত তেওঁলোক বহু বিপদৰ সন্মুখীন হয়। লগতে বিভিন্ন সময়ত কেনেকৈ বহুলোক ঠগ-প্ৰৱঞ্চনাৰ সন্মুখীন হয়, এই বিষয়েও কৰ্মশালাখনত বিশদ আলোচনা কৰা হয়। কৰ্মশালাখনত উপস্থিত থাকি ফজলুল কবিৰ বৰাই বিভিন্ন তথ্যচিত্ৰৰ সহায়ত চাইবাৰ নিৰাপত্তাৰ বিভিন্ন দিশসমূহ উদাহৰণসহ উপস্থিতসকলৰ আগত অৱগত কৰে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কৰ্মশালাখনত উপস্থিত থাকি কয়— পৃথিৱীত মূল উৎসই হ'ল তথ্য, তথ্যই হ'ল শক্তি আৰু তথ্যই হ'ল সম্পদ। সমগ্ৰ পৃথিৱীখন তথ্যৰ ওপৰত ভিত্তি কৰিয়েই চলি আছে। সকলোৱেই ইণ্টাৰনেট ব্যৱহাৰ কৰে, কিন্তু অধিকাংশ মানুহেই নাজানে যে ইণ্টাৰনেটত প্ৰতিদিনে কিমান তথ্যৰ আদান-প্ৰদান কৰা হয়। তেওঁ কয়— ইণ্টাৰনেটত প্ৰতি ছেকেণ্ডত প্ৰায় চাৰি লাখ গিগাবাইট তথ্য আদান-প্ৰদান কৰা হয়। ই-মেইলত প্ৰতি ছেকেণ্ডত প্ৰায় ত্ৰিশ লাখৰো অধিক তথ্য আদান-প্ৰদান কৰা হয়। প্ৰতি ছেকেণ্ডত হোৱাটছএপযোগে ৬৯ লাখ বাৰ্তা আদান-প্ৰদান কৰা হয়। ইউটিউবত প্ৰতি মিনিটত পাঁচশ ঘণ্টাৰো অধিক ভিডিঅ' আপলোড হয়। তেওঁ কয়— প্ৰতি ছেকেণ্ডত মানৱ জাতিয়ে যি তথ্য সৃষ্টি কৰে, তাৰ পৰিমাণ এক লাখৰো অধিক ডিভিডিৰ সমান। নিজৰ তথ্য নিজে নিৰাপত্তা নিদিলে কেৱল ব্যক্তিৰ ক্ষতিয়েই নহয়, সমাজ, ৰাষ্ট্ৰ আৰু বিশ্বৰো ক্ষতি হয় বুলি তেওঁ কয়। অনুষ্ঠানত চিইউটিএছ ইণ্টাৰনেচনেলৰ প্ৰগ্ৰাম এছ'চিয়েট শুভম ঘোষ আৰু প্ৰত্যুশ বেনাৰ্জীয়ে কৰ্মশালাখনত উপস্থিত থাকি চাইবাৰ নিৰাপত্তাৰ ওপৰত এক মননশীল বক্তব্য প্ৰদান কৰে। কৰ্মশালাখনত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহকাৰী পৰিচালক মানস প্ৰতিম চেত্ৰী, মিতাশ্ৰী বৰা উপস্থিত থাকি চাইবাৰ নিৰাপত্তাৰ বিষয়ে সকলোকে অৱগত কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ আইচিজিপিচিৰ সমন্বয়ক ড° এনিশা দত্ত, কম্পিউটাৰ ছায়েঞ্চ বিভাগৰ মুৰব্বী হৰজিন্দৰ সিঙকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।